**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 11-01-2024 **Time :** 1715 Hrs.

***Assamese Evening Bulletin***

ডিমাহাছাও জিলাৰ উমৰাংছ’ৰ তিন কিলʼ কয়লাখনিৰ পৰা আজি পুৱা আৰু দিনৰ ভাগত মুঠ তিনিটা মৃতদেহ উদ্ধাৰ কৰা হয়। আকাশবাণীৰ হাফলঙৰ সংবাদদাতা মনছুন সিঙে জনোৱা মতে পুৱা উদ্ধাৰ হোৱা মৃতদেহটো উমৰাংছ’ৰ সমীপৰ কালা মাটিৰ লাইজান মগৰ নামৰ এজন ২৬ বছৰীয়া যুৱকৰ বুলি চিনাক্ত কৰা হৈছে। অভিযানকাৰীসকলে পৰৱৰ্তী সময়ত খুশি মোহন ৰায় আৰু শৰৎ গয়াৰী নামৰ আন দুজন শ্ৰমিকৰ মৃতদেহ উদ্ধাৰ কৰে। ইয়াকে লৈ এই পৰ্যন্ত খনিটোৰ পৰা ৪টা মৃতদেহ উদ্ধাৰ কৰা হৈছে। নৌ সেনা, এন ডি আৰ এফ, এছ ডি আৰ এফ, অʼ এন জি চি আৰু জিলা প্ৰশাসনে আজি ষষ্ঠ দিনাও উদ্ধাৰ অভিযান পূৰ্ণোদ্যমে চলাই আছে যদিও আন ৫ জন শ্ৰমিকক উদ্ধাৰ কৰিব পৰা হোৱা নাই। লোকসভাত বিৰোধী দলৰ উপ দলপতি তথা কংগ্ৰেছৰ সাংসদ গৌৰৱ গগৈয়ে এই শোকাবহ ঘটনাৰ তদন্ত বিশেষ অনুসন্ধানকাৰী দলৰ দ্বাৰা কৰোৱাৰ বাবে দাবী জনাই প্ৰধানমন্ত্ৰীলৈ পত্ৰ প্ৰেৰণ কৰিছে। তেওঁ লগতে অনুসন্ধানকাৰী দলক অবৈধভাৱে কয়লা খননৰ এই ঘটনা পুংখানুপুংখ ৰূপত তদন্ত কৰাৰ উপৰি ঘটনাৰ সৈতে জড়িত অন্যান্য কাৰকসমূহো চালি জাৰি চোৱাৰ বাবে আহ্বান জনায়। উল্লেখযোগ্য যে ডিমা হাচাও কংগ্ৰেছ কমিটিয়ে আজি এই ঘটনাৰ প্ৰতিবাদত উমৰাংছুত এটা প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰে। শিৱসাগৰ জিলাত আজি বিভিন্ন দল সংগঠনে এই ঘটনাৰ প্ৰতিবাদ সাব্যস্ত কৰে। তেওঁলোকে উমৰাংছুত মৃত্যু হোৱা শ্ৰমিকৰ পৰিয়ালক উচিত ক্ষতিপূৰণ দিয়াৰ লগতে কাৰ্বি আংলং, তিনিচুকীয়াকে ধৰি কেইবাখনো জিলাত চলি থকা অবৈধ কয়লা খনন কাৰ্য বন্ধ কৰাৰ বাবে আহ্বান জনায়।

0000000

HMP ভাইৰাছক লৈ আতংকিত হোৱাৰ কোনো কাৰণ নাই বুলি গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালৰ অধীক্ষক ডাঃ অভিজিত শৰ্মাই প্ৰকাশ কৰিছে। ভাৰতবৰ্ষত এই ভাইৰাছৰ অৱস্থিতি ২০০১ চনতে ধৰা পৰিছিল বুলি ব্যক্ত কৰি ডাঃ শৰ্মাই কয়, যে এইচ এম পি ভাইৰাছত সাধাৰণতে ৫ বছৰৰ তলৰ শিশুহে আক্ৰান্ত হয় আৰু আক্ৰান্ত হোৱা শিশুৰ গাত জ্বৰ, চৰ্দি, মূৰৰ বিষ আদি লক্ষণে দেখা দিয়ে। তেওঁ সকলোকে সতৰ্কতামূলক ব্যৱস্থাসমূহৰ লগতে মাস্ক পৰিধান কৰিবলৈ আহ্বান জনায়। লগতে অসুস্থ লোকসকলক জনসমাগম পৰিহাৰ কৰি চলিবলৈ পৰামৰ্শ দিয়ে। লগতে তেওঁ জ্বৰ, চৰ্দি আদি লক্ষণে দেখা দিয়া লোকসকলক অতি শীঘ্ৰে চিকিৎসকৰ ওচৰলৈ যাবলৈও পৰামৰ্শ দিয়ে।

0000000

প্ৰাকৃতিক দুৰ্যোগৰ দ্বাৰা ক্ষতিগ্ৰস্ত সময়ছোৱাতো সকলো ধৰণৰ শাক পাচলীৰ উৎপাদন কৰিব পৰাকৈ উপায় উদ্ভাৱনৰ বাবে ৰাজ্যৰ কৃষি বিভাগ আৰু ভিলেজনামা শীৰ্ষক এটা সংস্থাৰ উদ্যোগত গুৱাহাটীৰ অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত এখন ৰাষ্ট্ৰীয় সন্মিলনৰ আয়োজন কৰা হয়। ডেভেলপিং চামাৰ গ্ৰীন ভেজিটেবল কৰিড’ৰ ফৰ আচাম এণ্ড নৰ্থ ইষ্ট শীৰ্ষক এই দুদিনীয়া সন্মিলনত কৃষিমন্ত্ৰী অতুল বৰাই অংশগ্ৰহণ কৰে। তেওঁ কয়, যে বৰষুণ, বান, আদি প্ৰাকৃতিক কাৰকৰ দ্বাৰা প্ৰভাৱান্বিত গ্ৰীষ্মকালীন বতৰত সেউজীয়া শাক-পাচলীৰ পৰ্যাপ্ত যোগান নিশ্চিত কৰাৰ বাবে ইয়াৰ উৎপাদন বৃদ্ধি কৰাটো প্ৰয়োজন হৈ পৰিছে। আধুনিক প্ৰযুক্তিৰে কৃষকসকলক এনে পৰিস্থিতিত শস্য উৎপাদনৰ বাবে দক্ষ কৰি তোলাৰ ওপৰতো তেওঁ গুৰুত্ব আৰোপ কৰে। এই সন্মিলনে কৃষকসকলক বিশেষজ্ঞসকলৰ পৰামৰ্শৰে উপকৃত কৰিব বুলিও তেওঁ মন্তব্য কৰে। আজিৰ অনুষ্ঠানত ৰাজ্যৰ মুখ্য সচিব ড° ৰবী কোটাৰ লগতে কৃষি বিভাগৰ শীৰ্ষ বিষয়া আৰু ভালেসংখ্যক কৃষক উপস্থিত থাকে।

০০০০০০০

রাজ্যখনত বান নিয়ন্ত্রণ আৰু খহনীয়াৰ সমস্যা সমাধানৰ বাবে  বান আৰু নদী খহনীয়া ব্যৱস্থাপনা প্ৰাধীকৰণৰ অধীনত চলি থকা কাম-কাজসমূহ আজি জলসম্পদ মন্ত্ৰী পিযুষ হাজৰিকাই পৰ্যালোচনা কৰে। তেওঁ প্ৰাধীকৰণৰ অধীনত চলি থকা কাম-কাজসমূহ সময়মতে সম্পূৰ্ণ কৰাৰ নিৰ্দেশ দিয়ে। পৰৱৰ্তী সময়ত ব্ৰহ্মপুত্ৰ, বুঢ়িদিহিং, বেকীকে ধৰি কেইবাখনো নৈৰ বান আৰু খহনীয়া সমস্যা নিয়ন্ত্ৰণৰ বাবে গ্ৰহণ কৰিবলগীয়া ব্যৱস্থাসমূহৰো তেওঁ পৰ্যালোচনা কৰে।  তদুপৰি জলসম্পদ  বিভাগে বান নিয়ন্ত্ৰণ প্ৰচেষ্টাক শক্তিশালী কৰাৰ উদ্দেশ্যে গঠন কৰা হাইড্ৰ ইনফৰমেটিক ইউনিটৰ বিষয়েও আজি আলোচনা কৰা হয়। এই গোটৰ সহায়ত স্থানীয় পৰ্যায়ত বৰষুণৰ আগজাননী আৰু নদীত পানীৰ স্তৰৰ বিষয়ে তথ্য লাভ কৰাত সহায় হয়। এই বৈঠকত প্ৰাধিকৰণৰ মুখ্য কাৰ্যবাহী বিষয়া, জলসম্পদ বিভাগৰ সচিব, মুখ্য অভিযন্তাসহ বিভাগীয় বিষয়াসকল উপস্থিত থাকে।

০০০০০০০

অসম নাট্য সন্মিলনৰ ৬৩ সংখ্যক মধ্যকালীন অধিৱেশন অহা ১৭ জানুৱাৰীৰ পৰা ২১ জানুৱাৰীলৈ নলবাৰী জিলাৰ বেলশৰৰ প্ৰখ্যাত বিল্বেশ্বৰ দেৱালয়ৰ প্ৰাংগণত অনুষ্ঠিত হ'ব। চণ্ডীগড়ৰ ৰাজ্যপাল ৰমেন ডেকাই এই অধিৱেশন আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব। দিছপুৰ প্ৰেছক্লাবত অনুষ্ঠিত এখন সংবাদমেলত আজি নাট্য সন্মিলনৰ প্ৰধান সম্পাদক সন্তৰাম দাসে এই কথা সদৰি কৰে। অনুষ্ঠানত মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, ৰঞ্জিত কুমাৰ দাস, বড়োলেণ্ড স্বায়ত্ত শাসিত পৰিষদৰ কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো উপস্থিত থাকিব। অধিৱেশনৰ লগত সংগতি ৰাখি প্ৰথিতযশা সাংবাদিক কনকসেন ডেকাই 'ৰংগমঞ্চ' নামৰ এখন স্মৃতিগ্ৰন্থ উন্মোচন কৰিব। ২১ জানুৱাৰীৰ মুকলি অধিৱেশনত অভিনেত্ৰী সীমা বিশ্বাস, লেখিকা ৰীতা চৌধুৰী তথা নাট্য সন্মিলনৰ প্ৰাক্তন সভাপতি দুলাল ৰয়কে ধৰি বহুতো গণ্য-মান্য লোক উপস্থিত থাকিব।

০০০০০০০

**সমাপ্ত**